**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-10-2023
**Time :** 13-40 Hrs.

***Assamese Midday Bulletin***

**::::::::::::::::::::::::::::::::::::::::**

১। ভাৰতীয় বায়ু সেনাই আজি উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত বাহিনীটোৰ ৯১ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰিছে।

২। ৰাষ্ট্ৰপতি, উপৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে ভাৰকীয় বায়ু সেনা দিৱস উপলক্ষে বাহিনীটোৰ সকলো যুজাৰু আৰু তেওঁলোকৰ পৰিয়াললৈ শুভেচ্ছা জ্ঞাপন কৰিছে।

৩। অসম চৰকাৰে আজি বিয়লি গুৱাহাটীত ৫টা আদিবাসী উগ্ৰপন্থী সংগঠনৰ এহেজাৰ ১৮২ জন প্ৰাক্তন সদস্যক ৪ লাখ টকাকৈ প্ৰদান কৰিব।

৪। চিকিমৰ আকস্মিক বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৩২ লৈ বৃদ্ধি পাইছে।

৫। লেবাননৰ সন্ত্ৰাসবাদী গোট হিজবুল্লাই ইজৰাইল আৰু হামাচৰ উত্তেজনাৰ মাজতে পেলেষ্টাইনৰ সমৰ্থনত গোলান পাৰ্বত্য অঞ্চলক লক্ষ্য কৰি কেইবাটাও ৰকেট নিক্ষেপ কৰিছে। ***আৰু***

৬। ভাৰত আজি চেন্নাইত হবলগীয়া আই চি চি এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত অষ্ট্ৰেলিয়াৰ মুখামুখি হ'ব।

০০০

ভাৰতীয় বায়ু সেনাই আজি উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত বাহিনীটোৰ ৯১ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰিছে। এই উদযাপনৰ অংশ হিচাপে বায়ু সেনাই প্ৰয়াগৰাজৰ বামৰাওলি বায়ু সেনা ঘাটিত বিশেষ পেৰেডৰ আয়োজন কৰে। এই পেৰেডত বায়ু সেনাৰ মুৰব্বী এয়াৰ ছীফ মাৰ্ছেল ভি আৰ চৌধাৰী উপস্থিত থাকে। এই অনুষ্ঠানত ছীফ অৱ ডিফেন্স ষ্টাফ জেনেৰেল অনিল চৌহান, চেণ্ট্ৰেল এয়াৰ কমাণ্ডাৰ বিষয়া এয়াৰ মাৰ্ছেল আৰ জি কে কাপুৰ আৰু সেনা বাহিনীৰ অন্যান্য বিষয়াই অংশগ্ৰহণ কৰে। আমাৰ সংবাদদাতাই জনোৱা অনুসৰি বায়ু সেনা মুৰব্বী এয়াৰ ছীফ মাৰ্ছেল ভি আৰ চৌধাৰীয়ে ভাৰতীয় বায়ু সেনা বাহিনীৰ নতুন পতাকা মুকলি কৰে আৰু পুৰণি পতাকাখন সম্পূৰ্ণ মৰ্যাদা সহকাৰে বায়ু সেনা মুৰব্বী গৰাকীক প্ৰদান কৰা হয়। এই পুৰণি পতাকাখন এতিয়াৰে পৰা বায়ু সেনাৰ সংগ্ৰহালয়ত ৰখা হ'ব। বায়ু সেনাৰ মুৰব্বীগৰাকীয়ে লগতে সেনাৰ ৪ টা গোট ক্ৰমে চিক্সটিন স্কোৱাদ্ৰন, 142 হেলিকপ্তাৰ ইউনিট, 901 চিগনেল ইউনিট আৰু থ্ৰি বেচ ৰিপেয়াৰ ডিপোক বাহিনীটোৰে আগবঢ়োৱা অনন্য অৱদানৰ বাবে দৃষ্টান্তমূলক গোটৰ সন্মান প্ৰদান কৰে।

এই অনুষ্ঠানত ভাষণ দি বায়ু সেনাৰ মুৰব্বী এয়াৰ ছীফ মাৰ্চেল ভি আৰ চৌধাৰীয়ে কয় যে, শান্তি বৰ্তাই ৰখাৰ লগতে প্ৰয়োজন অনুসৰি যুদ্ধ কৰা আৰু বিজয়ী হোৱাৰ ক্ষেত্ৰত বায়ু সেনাৰ ভূমিকা অনস্বীকাৰ্য। উদ্ভাৱনী শক্তি

বায়ুসেনাৰ মজ্জাত আছে বুলি উল্লেখ কৰি তেওঁ কয় যে, এই বাহিনীয়ে সৰু ডাঙৰ সকলো ভাবুকি তথা প্ৰত্যাহ্বানৰ সহজে সন্মুখীন হ'ব পাৰে। এই বছৰৰ বায়ু সেনা দিৱসৰ মূল বিষয়বস্তু **ভাৰতীয় বায়ু সেনা বাহিনী- সীমান্ত অতিক্ৰমী বায়ু শক্তি** বুলি তেওঁ উল্লেখ কৰে। এই বিষয়বস্তুয়ে বিশ্বজুৰি বায়ু সেনাৰ শক্তিক প্ৰতিফলন কৰিছে। চলিত বছৰত ভাৰতীয় বায়ু সেনাই বন্ধু ৰাষ্ট্ৰৰ সৈতে ৮ টা অনুশীলনত সফলভাৱে অংশগ্ৰহণ কৰিছে। প্ৰথমবাৰৰ বাবে বায়ু সেনাই দেশত নিৰ্মিত লাইট কমবেট বিমানেৰে বিদেশত অনুশীলনত ভাগ লৈছে। বায়ু সেনা মুৰব্বীয়ে প্ৰকাশ কৰে যে, বায়ু সেনা বাহিনীত ইতিমধ্যে অগ্নিবীৰৰ প্ৰথম পৰ্যায়ৰ নিযুক্তি সফলভাৱে সম্পূৰ্ণ হৈছে আৰু মহিলা অগ্নিবীৰকে ধৰি আনবোৰ পৰ্যায়ৰ নিযুক্তিৰ বাবে বৰ্তমান প্ৰাথমিক প্ৰশিক্ষণ চলি আছে।

আজিৰ বায়ু সেনা দিৱসৰ পেৰেডত প্ৰথমবাৰৰ বাবে এগৰাকী মহিলা বিষয়া গ্ৰুপ কেপ্তেইন চেলিজা ধামীয়ে কমাণ্ড দিয়ে। তেওঁ এটা কমবেট ইউনিটক কমাণ্ড দিয়া বায়ু সেনাৰ প্ৰথম মহিলা বিষয়া হিচাপেও পৰিগণিত হৈছে। প্ৰথমবাৰৰ বাবে আজিৰ পেৰেডত অগ্নিবীৰ বায়ু মহিলাৰ দলে অংশগ্ৰহণ কৰে। এই পেৰেডত প্ৰথমবাৰৰ বাবে বায়ু সেনাৰ গৰুড় কমাণ্ডসকলে অংশগ্ৰহণ কৰে। এই গৰুড় কমাণ্ডসকলে অলপতে দেশৰ সেৱাত ২০ বছৰ সম্পূৰ্ণ কৰিছে। পেৰেডত বায়ু সেনা বাহিনীৰ যোগ্যতা আৰু শক্তিৰ লগতে ৰাষ্ট্ৰক সুৰক্ষা দিয়াৰ বাবে থকা বাহিনীৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ প্ৰদৰ্শন কৰা হয়। প্ৰায় ৪শ বিদ্যালয়ৰ শিক্ষাৰ্থীকে ধৰি ২ হাজাৰ ৫শৰো অধিক লোকে আজিৰ বায়ু সেনা বাহিনীৰ পেৰেড দৰ্শন কৰে। প্ৰয়াগৰাজৰ অৰ্দনেন্স ডিপো ফোৰ্টত দিনৰ দুই বাজি ৪৫ মিনিটৰ পৰা ত্ৰিবেনী সংগম অঞ্চলত বায়ু সেনা বাহিনীৰ বিশেষ প্ৰদৰ্শন আৰম্ভ হ'ব। এই অনুষ্ঠানত ৰাজ্যিক উদ্যোগ বিকাশ মন্ত্ৰী নন্দগোপাল গুপ্তা উপস্থিত থাকিব। এই প্ৰদৰ্শনীত ভাৰতীয় বায়ু সেনা বাহিনীৰ ৰাফেল যুজাৰু বিমানৰ লগতে টেন এয়াৰ বেচৰ হেলিকপ্তাৰকে ধৰি এশৰো অধিক যুজাৰু তথা পৰিবহন বিমানে অংশগ্ৰহণ কৰিব। এই প্ৰদৰ্শনীতে মিগ-21 বিমানৰ আনুষ্ঠানিক বিদায় আৰু C-295 পৰিবহন বিমানৰ আনুষ্ঠানিক অন্তৰ্ভুক্তিও হ'ব।

০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰকীয় বায়ু সেনা দিৱস উপলক্ষে বাহিনীটোৰ সকলো যুজাৰু আৰু তেওঁলোকৰ পৰিয়াললৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কয় যে, ভাৰতীয় বায়ু সেনা বাহিনীয়ে সম্প্ৰতি উচ্চ শিখৰত আৰোহণ কৰিছে আৰু প্ৰত্যাহ্বান গ্ৰহণৰ বাবে সদায়ে সাজু থকা এনে এটা শক্তিশালী, সাহসী তথা গতিশীল বাহিনীক লৈ ৰাষ্ট্ৰই গৌৰৱবোধ কৰে। তেওঁ লগতে কয় যে, এই সকল প্ৰেৰণাদায়ক নায়কে কেৱল দেশৰ আকাশমাৰ্গকে সুৰক্ষিত কৰি ৰখা নাই বৰং বিভিন্ন সময়ত আৰ্তজনক মানৱীয় সাহায্যও প্ৰদান কৰি আহিছে।

উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে কয় যে, ভাৰতীয় বায়ু সেনাৰ সাহসী পুৰুষ আৰু মহিলা যোদ্ধাসকলে আকাশমাৰ্গত দেশৰ সাৰ্বভৌমত্ব ৰক্ষা তথা সুৰক্ষাৰ বাবে কাম কৰি আহিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে, ভাৰতীয় বায়ু সেনাৰ প্ৰতিশ্ৰুতিবদ্ধতা আৰু ত্যাগে দেশক সদায় গৌৰবান্বিত কৰি আহিছে। সামাজিক মাধ্যমত দিয়া এটা পোষ্টত শ্ৰীমোদীয়ে লগতে কয় যে, তেওঁলোকৰ অনবদ্য সেৱা আৰু ত্যাগে দেশৰ আকাশমাৰ্গক সুৰক্ষিত কৰি আহিছে।

ভাৰতীয় বায়ু সেনা বাহিনী ১৯৩২ চনৰ ৮ অক্টোবৰত গঠন কৰা হৈছিল আৰু প্ৰতিবছৰৰ এই দিনটোত বাহিনীৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰি অহা হৈছে।

০০০

অসম চৰকাৰে আজি বিয়লি গুৱাহাটীত আদিৱাসী কোব্ৰা মিলিটাৰী অব্ আসাম, অল আদিৱাসী নেচনেল লিবাৰেচন আৰ্মী, বিৰছা কামাণ্ডো ফৰ্চ, আদিৱাসী পিপলচ আৰ্মী আৰু চান্থাল টাইগাৰ ফৰ্চ নামৰ ৫টা আদিবাসী উগ্ৰপন্থী সংগঠনৰ এহেজাৰ ১৮২ জন প্ৰাক্তন সদস্যক ৪ লাখ টকাকৈ প্ৰদান কৰিব। তেওঁলোকে যোৱা জুলাইত অস্ত্ৰ সম্বৰণ কৰিছিল আৰু অসম চৰকাৰৰ সৈতে ত্ৰিপাক্ষিক চুক্তিত স্বাক্ষৰ কৰিছিল। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি এই সদস্য কেইগৰাকীক ৪ লাখ টকাৰ  চেক্ প্ৰদান কৰিব। অসমৰ মুখ্য সচিব, আৰক্ষী সঞ্চালক প্ৰধান, অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান আৰু ভালেসংখ্যক বিশিষ্ট ব্যক্তি অনুষ্ঠানত উপস্থিত থাকিব।

০০০

কেন্দ্ৰীয় গৃহ ৰাজ্যমন্ত্ৰী অজয় কুমাৰ মিশ্ৰাই আজি পুৱা মিন্তোকগেঙৰ চৰকাৰী বাসগৃহত চিকিমৰ মুখ্যমন্ত্ৰী প্ৰেম সিং টামাঙক সাক্ষাৎ কৰে। বৈঠকত দুয়োগৰাকী নেতাই আকস্মিক বানৰ ফলত ৰাজ্যখনত হোৱা ক্ষয় ক্ষতিৰ বিষয়ে বিশদভাৱে আলোচনা কৰে। মুখ্যমন্ত্ৰী প্ৰেম সিং টামাঙে ক্ষয় ক্ষতিৰ থিতাতে বুজ লোৱাৰ বাবে সময়মতে ৰাজ্যখন পৰিদৰ্শন কৰাৰ বাবে কেন্দ্ৰীয় গৃহ ৰাজ্যমন্ত্ৰীগৰাকীক ধন্যবাদ জনায়। তেওঁ লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহৰ পৰামৰ্শক্ৰমে কেন্দ্ৰীয় চৰকাৰৰ তৰফৰ পৰা লাভ কৰা ক্ষীপ্ৰ সঁহাৰিৰ ভূয়সী প্ৰশংসা কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে ২০২৩-২৪ বৰ্ষৰ বাবে এছ ডি আৰ এফ আৰু এন ডি আৰ এফৰ বাবে আৱণ্টিত ধন ততালিকে মুকলি কৰি দিয়া বাবে কৃতজ্ঞতা প্ৰকাশ কৰে। ক্ষয়-ক্ষতিৰ বুজ লোৱাৰ বাবে ৫ টাকৈ মন্ত্ৰালয়ৰ জ্যেষ্ঠ বিষয়াক লৈ এটা আন্তঃমন্ত্ৰালয় পৰ্যায়ৰ দল গঠনৰ বাবেও তেওঁ কেন্দ্ৰীয় নেতৃবৰ্গৰ শলাগ লয়। কেন্দ্ৰীয় গৃহ ৰাজ্যমন্ত্ৰী অজয় কুমাৰ মিশ্ৰই কয় যে,  স্বাভাৱিক পৰিস্থিতি ঘূৰাই অনাৰ বাবে ৰাজ্যখনলৈ সকলো ধৰণৰ সহায় সহযোগিতা আগবঢ়াবলৈ কেন্দ্ৰীয় চৰকাৰ বদ্ধপৰিকৰ।

ইপিনে, চিকিমৰ আকস্মিক বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৩২ লৈ বৃদ্ধি পাইছে। নিহতসকলৰ ভিতৰত ৯ জন সেনা জোৱানো আছে। ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধীকৰণে ৪ ছেপ্তেম্বৰত লোনাক হিমবাহ হ্ৰদৰ জলস্তৰ বৃদ্ধি পোৱাৰ ফলত তিস্তা নৈৰ অৱবাহিকা অঞ্চলত আকস্মিক বান সৃষ্টি হোৱাৰ পাছৰে পৰা ১২২ জন লোক এতিয়াও সন্ধানহীন হৈ আছে বুলি নিশ্চিত কৰিছে। বানৰ ফলত এহেজাৰ ৩২০ টা বাসগৃহ বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে। ভাৰত তীববতীয় সীমান্ত আৰক্ষীয়ে প্ৰকাশ কৰা মতে, চুংথাঙৰ পৰা কালি ৫৬ গৰাকী লোকক উদ্ধাৰ কৰা হৈছে। ইয়াৰে ভিতৰত ৪ গৰাকী মহিলাও আছে। বান প্ৰভাৱিত এলেকাসমূহৰ পৰা দুহেজাৰ ৫৬৩ জন লোকক উদ্ধাৰ কৰা হৈছে। ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত স্থাপন কৰা ৩০ টা সাহায্য শিবিৰত প্ৰায় ৭ হাজাৰ ২৫ জন আশ্ৰয় লৈ আছে। তিস্তা নৈৰ অৱবাহিকা অঞ্চলত সৃষ্টি হোৱা বানত ১৩ খন দলঙ উটি গৈছে।

০০০

ইজৰাইল আৰু হামাচৰ মাজত উত্তেজনা অব্যাহত থকাৰ সময়তে লেবাননৰ হিজবুল্লা নামৰ সন্ত্ৰাসবাদী গোটটোৱে আজি বিবদমান এলেকাৰ লগতে ইজৰাইলৰ নিয়ন্ত্ৰণত থকা গোলান পাৰ্বত্য অঞ্চলৰ তিনিটা স্থানলৈ লক্ষ্য কৰি কেইবাটাও ৰকেট নিক্ষেপ কৰে। গোটটোৱে এটা বিবৃতিযোগে পেলেষ্টাইনৰ সমৰ্থনত এই আক্ৰমন কৰাৰ বুলি প্ৰকাশ কৰিছে। ইয়াৰ প্ৰত্যুত্তৰত ইজৰাইলৰ সামৰিক বাহিনীয়ে লেবাননত বিভিন্ন এলেকাক লক্ষ্য কৰি আক্ৰমন চলায় আৰু হিজবুল্লা নামৰ গোটটোক বৰ্তমানৰ সংঘৰ্ষৰ পৰা আঁতৰি থাকিবলৈ সকিয়াই দিয়ে। ইফালে,

ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামীন নেতান্যাহুই গাজাক নিৰ্জন দ্বীপত পৰিণত কৰাৰ ভাবুকি প্ৰদান কৰিছে। তেওঁ অঞ্চলটোৰ লোকসকলক সেই ঠাই ত্যাগ কৰিবলৈ কৈছে। ইয়াৰ আগেয়ে হামাচৰ আক্ৰমনৰ প্ৰত্যুত্তৰত ইজৰাইলৰ প্ৰতিৰক্ষা বাহিনীয়ে শ্বৰ্ডছ অৱ আইৰণ শীৰ্ষক অভিযান আৰম্ভ কৰে। ইফালে হামাচৰ আক্ৰমনত মৃত্যু হোৱা লোকৰ সংখ্যা ৩শ লৈ বৃদ্ধি পাইছে। এই আক্ৰমনত এহেজাৰ ৫শৰো অধিক লোক আহত হৈছে।

০০০

ভাৰত আজি চেন্নাইত হবলগীয়া আই চি চি এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত অষ্ট্ৰেলিয়াৰ মুখামুখি হ'ব। খেলখন বিয়লি ২ বজাৰ পৰা অনুষ্ঠিত হ'ব।

ইপিনে, দক্ষিণ আফ্ৰিকাই কালি নতুন দিল্লীৰ অৰুণ জেট্‌লী ষ্টেডিয়ামত অনুষ্ঠিত বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত শ্ৰীলংকাক ১০২ ৰানত পৰাস্ত কৰে। খেলখনত দক্ষিণ আফ্ৰিকাই প্ৰথমে বেট ধৰি ৫ উইকেটৰ বিনিময়ত ৪২৮ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰ শ্ৰীলংকাই ৪৪ অভাৰ ৫টা বলত আটাইকেইটা উইকেট হেৰুৱাই ৩২৬ ৰানহে কৰিবলৈ সমৰ্থ হয়।

ইয়াৰ আগেয়ে বাংলাদেশে ধৰমশালাত অনুষ্ঠিত বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ নিজৰ প্ৰথমখন খেলত আফগানিস্তানক ৬ উইকেটত পৰাস্ত কৰে। বাংলাদেশে ১৫৭ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি মেহদী হাচান মিৰাজ আৰু নাজমুল হুছেইন চান্তোৰ অৰ্ধ শতকৰ সহায়ত ৩৪ অভাৰ আৰু চাৰিটা বলত চাৰি উইকেটৰ বিনিময়ত ১৫৮ ৰাণ কৰে।

০০০

সমাপ্ত